Prepp
Your Personal Exams Guide

# UGC NET PAPER 2 NOVEMBER 05, 2017 SHIFT 1 ASSAMESE QUESTION PAPER

ASSAMESE

অসমীয়া

PAPER - II

প্ৰশ্নকাকত - II

Note : This paper contains fifty (50) objective type questions of two (2) marks each. All questions are compulsory.

টোকা : এই প্ৰশ্নকাকতত **পঞ্চাছটা** (50) টা বহুবিকল্পীয় প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই** (2)। **সকলো** প্ৰশ্ন বাধ্যতামূলক।

তলৰ 1 ৰ পৰা 8 নং প্ৰশ্নলৈকে **চাৰিটা** বিকল্প উত্তৰ দিয়া আছে। **শুদ্ধ** উত্তৰটো বাছি উলিওৱা।

1. মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ দ্বাৰা সম্পাদিত ‘হাজাৰ বছৰেৰ পুৰণি বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা’ নামৰ গ্ৰন্থখন কোনে প্ৰথমে প্ৰকাশ কৰিছিল ?

(1) এছিয়াটিক ছ’ছাইটি (2) বঙ্গীয় সাহিত্য পৰিষদ

(3) সাহিত্য অকাদেমি (4) কলিকতা বিশ্ববিদ্যালয়

2. কমতা মণ্ডল দুৰ্লভ নাৰায়ণ নৃপবৰ অনুপাম।

তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম ।।

কোন কবিয়ে নিজৰ গ্ৰন্থৰ ভণিতাত উদ্ধৃত পংক্তিটি সংযোজন কৰিছিল ?

(1) কবিৰত্ন সৰস্বতী (2) ৰুদ্ৰ কন্দলি (3) হেম সৰস্বতী (4) পীতাম্বৰ কবি

3. ‘ইঙ্গলা পিঙ্গলা সুষুম্না এ চিত্ৰা

এইনো চাৰি গছি গুণা ;

চাৰি মহুৰাই চাৰিটি শৰণে

তাৰ কথা কৈছে শুনা।’

- ওপৰৰ স্তৱকটি কোন শ্ৰেণীৰ গীতৰ অন্তৰ্ভুক্ত ?

(1) টোকাৰী নাম (2) চৰ্য্যাপদ (3) সদাশিৱৰ নাম (4) ডাকৰ বচন

4. তলৰ কোনগৰাকী কবি শঙ্কৰদেৱৰ সমকালীন ?

(1) অনন্ত কন্দলি (2) ভট্টদেৱ (3) মাধৱ কন্দলি (4) কবিৰাজ চক্ৰৱৰ্তী

www.prepp.in

Prepp
Your Personal Exams Guide

5. তলৰ চাৰিটা বিকল্পৰ অন্তৰ্ভুক্ত শব্দসমূহৰ কোনটো বিকল্প আৰবী-ফাৰ্চী মূলৰ পৰা আহিছে ?

(1) টেবুল, বাচক, দিন, পেঞ্চিল　　(2) কাৰেং, বুৰঞ্জী, জাংফাই, মাইহাং

(3) আদালত, উকীল, জমিদাৰ, দেৱান　　(4) বুটাম, পাওৰুটি, আলমাৰী, গীৰ্জা

6. তলৰ কোনখন উপন্যাসত সাম্যবাদী দৰ্শনৰ প্ৰভাৱ আছে ?

(1) অন্তৰাগ　(2) অন্তৰীপ　(3) নীলকণ্ঠী ব্ৰজ　(4) ৰথৰ চকৰি ঘূৰে

7. শিঙা, পেঁপা, বাঁহী আদি তলৰ কোন শ্ৰেণীৰ অন্তৰ্ভুক্ত বাদ্য ?

(1) ঘন বাদ্য　(2) আনদ্ধ বাদ্য　(3) সুষিৰ বাদ্য　(4) তত বাদ্য

8. তলৰ কোনখন নাটকত চাহ বাগিছাৰ জীৱন চিত্ৰিত হৈছে ?

(1) মহৰী　　(2) জন্ম

(3) গাওঁবুঢ়া　　(4) চিকৰ পতি-নিকৰ পতি

তলৰ 9 ৰ পৰা 15 লৈ প্ৰতিটো প্ৰশ্নৰ লগত **চাৰিটাকৈ** বিকল্প দিয়া আছে। এই বিকল্পসমূহৰ মাজত দুটা বা ততোধিক **শুদ্ধ** বিকল্প আছে। **শুদ্ধ** বিকল্পৰ সমূহ বা থূলটো বিচাৰি উলিওৱা।

9. সমাজবাদী দৰ্শনৰ প্ৰভাৱ থকা লেখকৰ থূল

(a) হোমেন বৰগোহাঞি　　(b) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

(c) চন্দ্ৰপ্ৰসাদ শইকীয়া　　(d) হেম বৰুৱা

(1) (a), (b)　(2) (a), (c)　(3) (c), (d)　(4) (b), (d)

10. বিজ্ঞান সাহিত্য লেখকৰ থূল

(a) ক্ষীৰধৰ বৰুৱা　　(b) নগেন শইকীয়া

(c) কুলেন্দু পাঠক　　(d) দীনেশচন্দ্ৰ গোস্বামী

(1) (a), (b), (c)　(2) (a), (c), (d)　(3) (b), (d)　(4) (c), (d)

Prepp
Your Personal Exams Guide

11. হীৰেন্দ্ৰনাথ দত্তৰ কবিতাৰ থূল

(a) সোণালী জাহাজ
(b) সোমধিৰিৰ সোঁৱৰণি
(c) সমুদ্ৰভীতি
(d) অস্তাচল

(1) (b), (c) (2) (a), (c) (3) (a), (d) (4) (b), (d)

12. ভবেন্দ্ৰনাথ শইকীয়াৰ দ্বাৰা ৰচিত দুখন শিশু উপযোগী গ্ৰন্থ

(a) ভ তূকাৰে ভূ
(b) মহাদুষ্টৰ দুষ্ট বুদ্ধি
(c) মৰমৰ দেউতা
(d) বগলী এ সবাহলৈ নগলি কিয়

(1) (b), (d) (2) (a), (d) (3) (b), (c) (4) (a), (c)

13. শ্যাম চীনীয় ভাষিক জনগোষ্ঠীৰ থূল

(a) খাময়াং
(b) দেউৰী
(c) চিংফৌ
(d) আইতন

(1) (a), (d) (2) (b), (d) (3) (c), (d) (4) (a), (c)

14. ধ্বন্যাত্মক শব্দৰ থূল

(a) মাছ মাছ
(b) কল্ কল্
(c) ফুচ্ ফুচ্
(d) জ্বৰ জ্বৰ

(1) (a), (d) (2) (b), (c) (3) (c), (d) (4) (b), (d)

15. একাধাৰে সংস্কৃতিবিদ আৰু ঔপন্যাসিকৰ থূল

(a) বিৰিঞ্চি কুমাৰ বৰুৱা
(b) প্ৰফুল্লদত্ত গোস্বামী
(c) বীৰেন্দ্ৰনাথ দত্ত
(d) লীলা গগৈ

(1) (a), (b) (2) (b), (d) (3) (a), (b), (c) (4) (a), (b), (d)

তলৰ 16 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি অথবা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2), (3) আৰু (4) বিকল্পৰ মাজৰ পৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱা

16. অমিতাক্ষৰ ছন্দত ভাবপৰ্বসমূহেই ছন্দৰ অন্তঃস্পন্দৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰে, কাৰণ

(1) অমিতাক্ষৰ ছন্দত ছেদৰ অৱস্থানেহে ছন্দৰ গতিপ্ৰবাহক নিয়ন্ত্ৰণ কৰে।

(2) অমিতাক্ষৰ ছন্দত যতি আৰু ছেদ সমান্তৰালভাৱে থাকে।

(3) অমিতাক্ষৰ ছন্দত পৰ্ব নাথাকে।

(4) যতিয়ে অমিতাক্ষৰ ছন্দৰ ভাবপৰ্বসমূহ নিয়ন্ত্ৰণ কৰে।

17. অনুবাদৰ কৰ্মক্ষেত্ৰ হ'ল একাধিক ভাষাৰ মাজত। কাৰণ

(1) অনুবাদৰ কৰ্মক্ষেত্ৰত লক্ষ্যভাষা আৰু উৎসভাষা পাৰস্পৰিক সম্পৰ্কযুক্ত।

(2) একোটা অনুবাদকৰ্মৰ বাবে লক্ষ্যভাষা আগতীয়াকৈ চিনাক্ত কৰা হয়।

(3) উৎসভাষা আৰু লক্ষ্যভাষা দুয়োটাকে অনুবাদকৰ্মই সামৰি লয়।

(4) ভিন্নভাষী লোকে একোটা অনুবাদকৰ্মক একে দৃষ্টিভংগীৰে বিচাৰ কৰে।

18. অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত নহয়। কাৰণ

(1) অসমীয়া ভাষাত বিশেষ্যৰ লিঙ্গ পৰিৱৰ্তন হ'লে বিশেষণৰো লিঙ্গৰ পৰিৱৰ্তন ঘটে।

(2) অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণে নিৰ্দ্ধাৰণ কৰে।

(3) সংস্কৃতৰ দৰে অসমীয়া ভাষাত লিঙ্গই বাক্য গাঁথনিত প্ৰভাৱ বিস্তাৰ নকৰে।

(4) অসমীয়া ভাষাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গৰ মাজতহে ভেদ পৰিলক্ষিত হয়।

19. ''উপন্যাস যদি মুকলি যুদ্ধক্ষেত্ৰৰ সৈনিক তেন্তে চুটিগল্প হ'ল গৰিলা যুঁজাৰু।'' কাৰণ

(1) উপন্যাসে জীৱনৰ সামগ্ৰিক ৰূপ আৰু চুটিগল্পই জীৱনৰ খণ্ডিত ৰূপক আধাৰ কৰি গঢ় লয়।

(2) চুটিগল্পই উপন্যাসৰ বিষয়বস্তুৰ সামগ্ৰিকতাক সংক্ষেপত উপস্থাপন কৰে।

(3) উপন্যাসত বহলকৈ আৰু চুটিগল্পত চমুকৈ জীৱনৰ সত্য প্ৰতিফলিত হয়।

(4) চুটিগল্পই অতি কম কথাতে উপন্যাসৰ এটা খণ্ডিত প্ৰসংগ তুলি ধৰে।

20. ''শত বৰষৰ ধূলিত হেৰোৱা
জীৱন কুসুমে মেলিব পাহি?''

উক্ত কবিতাফাঁকি ৰূপক অলংকাৰৰ উদাহৰণ। কাৰণ

(1) কুসুমৰ পাহি আছে আৰু সেই কুসুম ফুলা ফুলনি আছে। কিন্তু জীৱন কুসুম ফুলা ফুলনি নাই।

(2) জীৱনকুসুম বুলি কৈ জীৱনৰ ওপৰত কুসুমক আৰোপ কৰা হৈছে।

(3) জীৱনক কুসুমৰ পাহিৰ লগত তুলনা কৰা হৈছে।

(4) জীৱন উপমানৰ ওপৰত কুসুম উপমেয়ক আৰোপ কৰা হৈছে।

Prepp
Your Personal Exams Guide

তলৰ **21** ৰ পৰা **25** লৈ দিয়া প্ৰতিটো **উক্তি (Assertion)** আৰু **যুক্তি (Reason)** হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৱা (1), (2), (3), (4) ৰ পৰা **শুদ্ধ** উত্তৰটো নিৰ্ণয় কৰা।

**21.** **উক্তি** : আধুনিক অসমীয়া কবিতাৰ এক আংগিকৰ ভিতৰত চিত্ৰকল্পৰ প্ৰয়োগ অন্যতম।

**যুক্তি** : চিত্ৰকল্পৰ প্ৰয়োগে আধুনিক কবিতাক বোধগম্য কৰি তুলিছে।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ

**22.** **উক্তি** : ‘জীৱনৰ বাটত’ উপন্যাসত উচ্চবিত্ত সমাজৰ সামাজিক দৃষ্টিভঙ্গীৰ প্ৰতিফলন ঘটাইছে।

**যুক্তি** : উচ্চ অভিলাষী মধ্যবিত্তই নিজৰ মান-সম্মান আৰু সম্পত্তিৰ বাবে নিজৰ ঐতিহ্যক পাহৰি পেলাইছে।

(1) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ

**23.** **উক্তি** : ৰামধেনুৱে নতুন সাহিত্য আৰু সংস্কৃতিৰ আন্দোলন গঢ়ি তোলাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

**যুক্তি** : হেম বৰুৱা, নৱকান্ত বৰুৱা, দেৱকান্ত বৰুৱা আদি কবিয়ে ‘ৰামধেনু’ৰ পৃষ্ঠাতে আত্মপ্ৰকাশ কৰিছিল।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ

**24.** **উক্তি** : অসমীয়া নিৰ্দিষ্টতাবাচক সৰ্গবোৰ শব্দসাধনমূলক প্ৰত্যয়।

**যুক্তি** : নিৰ্দিষ্টতাবাচক সৰ্গবোৰে নতুন অৰ্থবাচক শব্দ গঠন কৰে আৰু শব্দটোৰ মৌলিক অৰ্থৰ পৰিবৰ্তন ঘটায়।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ

**25.** **উক্তি** : কবিতাৰ জটিলতা ভাব বা উপলব্ধিৰো হ’ব পাৰে, প্ৰকাশভংগীৰো হ’ব পাৰে।

**যুক্তি** : পাঠকে কবিতাৰ অন্তৰ্নিহিত ভাবক উপলব্ধি কৰিব নোৱাৰে আৰু প্ৰকাশভংগী কঠিন হোৱাৰ বাবে জটিল হৈ পৰে।

(1) **উক্তি** শুদ্ধ; **যুক্তি** শুদ্ধ
(2) **উক্তি** শুদ্ধ; **যুক্তি** অশুদ্ধ
(3) **উক্তি** অশুদ্ধ; **যুক্তি** শুদ্ধ
(4) **উক্তি** অশুদ্ধ; **যুক্তি** অশুদ্ধ

www.prepp.in

Prepp
Your Personal Exams Guide

তলৰ 26 ৰ পৰা 35 লৈ দিয়া বিষয়সমূহ লগত দিয়া নিৰ্দেশনাৰ আধাৰত সজাই (1), (2), (3), (4) বিকল্পৰ পৰা **শুদ্ধ** ক্ৰমটো নিৰ্ণয় কৰা।

26. জ্যেষ্ঠতাৰ আধাৰত সজোৱা

(a) হবেছ (b) প্লেটো

(c) লনজাইনাছ (d) এৰিষ্ট'টল

(1) (a), (d), (b), (c) (2) (b), (d), (c), (a) (3) (c), (d), (b), (a) (4) (b), (d), (a), (c)

27. তলৰ আত্মজীৱনীকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱা

(a) বতাহত ক'ৰ গধূলি গোপাল (b) উপলা নদীৰ দৰে

(c) মজিয়াৰ পৰা মেজলৈ (d) আধা লেখা দস্তাবেজ

(1) (a), (d), (b), (c) (2) (a), (b), (c), (d) (3) (c), (d), (b), (a) (4) (c), (a), (b), (d)

28. তলৰ মতবাদসমূহ আৰম্ভ হোৱা সময়ৰ আধাৰত সজোৱা

(a) নিৰ্গঠনবাদ (b) প্ৰকৃতিবাদ

(c) অস্তিত্ববাদ (d) গঠনবাদ

(1) (a), (d), (b), (c) (2) (c), (a), (d), (b) (3) (b), (c), (d), (a) (4) (b), (a), (c), (d)

29. প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত সজোৱা

(a) ভাৱৰ আৰু নাই (b) সুবালা

(c) কেঁচাপাতৰ কঁপনি (d) ইয়াৰুইঙ্গম

(1) (c), (a), (d), (b) (2) (b), (d), (a), (c) (3) (a), (c), (b), (d) (4) (c), (a), (b), (d)

30. জ্যেষ্ঠতাৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) গুণাভিৰাম বৰুৱা (b) কমলাকান্ত ভট্টাচাৰ্য

(c) চন্দ্ৰধৰ বৰুৱা (d) আনন্দৰাম ঢেকিয়াল ফুকন

(1) (d), (a), (c), (b) (2) (c), (d), (a), (b) (3) (a), (d), (b), (c) (4) (d), (a), (b), (c)

Prepp
Your Personal Exams Guide

31. প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) আসাম নিউজ (b) আসাম বিলাসিনী

(c) আসাম বন্ধু (d) আসাম বন্তি

(1) (a), (d), (c), (b) (2) (b), (d), (a), (c) (3) (b), (c), (a), (d) (4) (b), (a), (c), (d)

32. প্ৰথম প্ৰকাশৰ বৰ্ষৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) Descriptive Account of Assam

(b) Early History of Kamrupa

(c) Cultural History of Assam (Early Period)

(d) Mother Goddess Kamakhya

(1) (b), (a), (c), (d) (2) (a), (b), (d), (c) (3) (d), (a), (c), (b) (4) (a), (c), (b), (d)

33. তলৰ সংস্কৃতিবিদকেইগৰাকীৰ নামসমূহ জ্যেষ্ঠতাৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) প্ৰফুল্লদত্ত গোস্বামী (b) বিৰিঞ্চি কুমাৰ বৰুৱা

(c) বাণীকান্ত কাকতি (d) বীৰেন্দ্ৰনাথ দত্ত

(1) (c), (b), (a), (d) (2) (c), (a), (b), (d) (3) (a), (b), (c), (d) (4) (b), (c), (d), (a)

34. তলৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীপ্ৰণেতাকেইগৰাকীৰ নামকেইটা জ্যেষ্ঠতাৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) ডিম্বেশ্বৰ নেওগ (b) মহেশ্বৰ নেওগ

(c) দেবেন্দ্ৰনাথ বেজবৰুৱা (d) হেমন্তকুমাৰ শৰ্মা

(1) (c), (b), (d), (a) (2) (c), (a), (b), (d) (3) (b), (c), (a), (d) (4) (d), (a), (b), (c)

35. ৰচনাকালৰ আধাৰত একাদিক্ৰমে সজোৱা

(a) ৰামায়ণ (b) ঋক্‌বেদ

(c) কৰ্পূৰমঞ্জৰী (d) ৰঘুবংশম্

(1) (b), (a), (d), (c) (2) (b), (c), (a), (d) (3) (a), (b), (c), (d) (4) (a), (b), (d), (c)

Prepp
Your Personal Exams Guide

তলৰ 36 ৰ পৰা 45 লৈ **'ক' স্তম্ভত** দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা **'খ' স্তম্ভৰ** বিষয়সমূহ মিলাই (1), (2), (3), (4) এই চাৰিটা বিকল্প দিয়া হৈছে। তাৰ পৰা **শুদ্ধ** বিকল্পটো চিহ্নিত কৰা।

36.

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | কুমাৰী পৃথিৱী | (i) | The Wild Duck |
| (b) | বনহংসী | (ii) | Virgin Soil |
| (c) | বণিজ কোঁৱৰ | (iii) | Growth of the Soil |
| (d) | মাটি আৰু মৰম | (iv) | Merchant of Venis |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iii) | (i) | (iv) |
| (2) | (iv) | (i) | (ii) | (iii) |
| (3) | (ii) | (i) | (iv) | (iii) |
| (4) | (iv) | (ii) | (i) | (iii) |

37.

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (a) | দুইতো দুয়ো নাহি তুষ্টি<br>হানে বজ্র সম মুষ্টি | (i) | পুনৰোক্তৱদাভাষ |
| (b) | ইকথা নহয় জানা<br>কথা পুৰুষৰ | (ii) | যমক |
| (c) | মৰ্দ্দিয়ে বিষধৰ কালি<br>যমুনা হ্রদ নিকালি | (iii) | লাটানুপ্ৰাস |
| (d) | কুবুজা কাম মনোৰথ পূৰল<br>বৰদ বৰদ বনমমালী | (iv) | ছেকানুপ্ৰাস |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (ii) | (i) |
| (2) | (i) | (iv) | (iii) | (ii) |
| (3) | (iv) | (i) | (ii) | (iii) |
| (4) | (i) | (ii) | (iii) | (iv) |

Prepp
Your Personal Exams Guide

38. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

(a) আইনাম — (i) ৰুৱা দিলা কামী দিলা মাৰলিৰে যোটা
দুই চাল তুলি থৈলা একেযুৰি খুটা।

(b) দেহবিচাৰ গীত — (ii) বৈহাগৰ মাহতে কুলিয়ে কৰে ৰাৱ
কুলিৰ ক্রন্দন শুনি নুজুৰাই গাৱ।

(c) বনঘোষা — (iii) নাৱতে আনিলা ফুলৰে কৰণী
বঠাত আনিলা দান।

(d) বাৰমাহী গীত — (iv) তোমাৰ বাৰীতে কলাপাত কাটিলোঁ
আগলি আগলি চাই।

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (i) | (iii) | (ii) |
| (2) | (iii) | (i) | (iv) | (ii) |
| (3) | (ii) | (i) | (iv) | (iii) |
| (4) | (iii) | (i) | (ii) | (iv) |

39. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

(a) জহং — (i) গালং

(b) মপিন — (ii) গাৰো

(c) গেৰবা — (iii) কাৰ্বি

(d) দোচীয়া — (iv) ডিমাছা

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (i) | (iv) | (ii) | (iii) |
| (4) | (ii) | (i) | (iii) | (iv) |

Prepp
Your Personal Exams Guide

40. 'ক' স্তম্ভ — 'খ' স্তম্ভ

(a) ককাদেউতা নাতি ল'ৰা — (i) অতুলচন্দ্ৰ হাজৰিকা

(b) শিয়ালী পালেগৈ ৰত্নপুৰ — (ii) লক্ষ্মীনাথ বেজবৰুৱা

(c) বিলাতী হোজা — (iii) লীলা গগৈ

(d) জল কুঁৱৰী — (iv) প্ৰফুল্লদত্ত গোস্বামী

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iv) | (iii) |
| (2) | (ii) | (iii) | (iv) | (i) |
| (3) | (iv) | (i) | (iii) | (ii) |
| (4) | (ii) | (i) | (iii) | (iv) |

41. 'ক' স্তম্ভ — 'খ' স্তম্ভ

(a) ভাৰশু পক্ষীৰ জাক — (i) ছেৰদুকপেন সমাজ

(b) দেও লাংখুই — (ii) বড়ো সমাজ

(c) শৰ কটা মানুহ — (iii) মিচিং সমাজ

(d) মিক্ চিজিলি — (iv) তিৱা সমাজ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iv) | (iii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (ii) | (iv) | (i) | (iii) |
| (4) | (i) | (iv) | (ii) | (iii) |

42. 'ক' স্তম্ভ — 'খ' স্তম্ভ

(a) সংযুক্তিবাদ — (i) ফ্ৰেডৰিক জেম্চন

(b) নিৰ্গঠনবাদ — (ii) মেৰী ৱ'লষ্টনক্ৰাফ্ট্

(c) নাৰীবাদ — (iii) জঁ পিয়াজ

(d) উত্তৰ আধুনিকতাবাদ — (iv) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (ii) | (i) |
| (2) | (iii) | (iv) | (i) | (ii) |
| (3) | (ii) | (i) | (iv) | (iii) |
| (4) | (i) | (iv) | (ii) | (iii) |

43. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| (a) | বাণ | (i) | ৰূপালীম |
| (b) | গোলাপ | (ii) | কাৰেঙৰ লিগিৰী |
| (c) | মায়াব’ | (iii) | শোণিত কুঁৱৰী |
| (d) | সুদৰ্শন | (iv) | লভিতা |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iv) | (ii) | (iii) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iii) | (iv) | (ii) | (i) |
| (4) | (iii) | (iv) | (i) | (ii) |

44. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| (a) | মালিনী থান | (i) | বাইহাটা |
| (b) | মহাভৈৰৱ মন্দিৰ | (ii) | লিকাবালি |
| (c) | মদন কামদেৱ | (iii) | নুমলীগড় |
| (d) | দেওপাহাৰ | (iv) | তেজপুৰ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (ii) | (iv) | (i) | (iii) |
| (2) | (i) | (iv) | (ii) | (iii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iv) | (i) | (ii) | (iii) |

45. ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

| | ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|---|
| (a) | লেৱাটানা | (i) | পূৰ্বপুৰুষৰ পূজা |
| (b) | শ্বৰে বৰাত | (ii) | কৃষিভিত্তিক উৎসৱ |
| (c) | ওম্ফা | (iii) | পঞ্জিকা আশ্ৰয়ী উৎসৱ |
| (d) | ওৱানগালা | (iv) | ঋতুকালীন উৎসৱ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iv) | (ii) | (iii) |
| (2) | (iv) | (iii) | (i) | (ii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iv) | (ii) | (i) | (iii) |

www.prepp.in

Prepp
Your Personal Exams Guide

তলত দিয়া খণ্ডটো মনোযোগেৰে পঢ়া আৰু 46 ৰ পৰা 50 লৈকে সংলগ্ন প্ৰশ্নকেইটাৰ **শুদ্ধ** উত্তৰ (1), (2), (3), (4) বিকল্পৰ মাজৰ পৰা বাছি উলিওৱা।

ভাৰতীয় সংস্কৃতিত সত্ৰ শব্দটো নতুন নহয় -- শ্ৰীমদ্ভাগৱতত্তে ব্ৰহ্ম-সত্ৰ আৰু কৰ্ম-সত্ৰ নামৰ দুবিধ সত্ৰৰ বিষয়ে উল্লেখ আছে। তদুপৰি পূৰ্বতে উল্লেখ কৰি অহা বৌদ্ধ-বিহাৰসমূহৰ কৰ্ম-পদ্ধতিৰ লগত অসমৰ সত্ৰসমূহৰ উদ্দেশ্যৰ সামঞ্জস্য লক্ষ্য কৰা যায়। ব্ৰহ্ম সত্ৰত বক্তা আৰু শ্ৰোতা সমানে বহি ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰে। ইয়াত গুৰু শিষ্যৰ ভিন্নতা নাছিল। শঙ্কৰদেৱে অসমত সত্ৰৰ ধাৰণা স্থাপন কৰিবৰ সময়ত ভাগৱতৰ ব্ৰহ্ম সত্ৰৰ আৰ্হিকে ভেঁটি কৰি লৈছিল। বৌদ্ধ বিহাৰত এজন ভিক্ষু, কেইজনমান প্ৰশিক্ষাৰ্থী শ্ৰমণ আৰু শিক্ষাৰ্থী আবাসিক ৰূপত থাকে। সৰ্বসাধাৰণে বৌদ্ধ-বিহাৰৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰে। শঙ্কৰদেৱে ধৰ্মচৰ্চাৰ অৰ্থেই সত্ৰ-স্থাপনৰ আঁচনি কৰিছিল। যদিও শঙ্কৰদেৱতেই গুৰু পৰম্পৰাৰ আৰম্ভণি হৈছিল, শঙ্কৰদেৱে পৰৱৰ্তী কালৰ গুৰু-গিৰি আৰু তাৰ উচ্চাত্মিকাৰ জন্ম দিয়া নাছিল। তদুপৰি সত্ৰৰ ৰাজকীয় পযোভৱ আৰু ৰাজসিক আড়ম্বৰৰ ভৰত ধৰ্মচৰ্চাৰ ঠাইত অৰ্থ চিন্তা মূৰ দাঙি উঠা পৰম্পৰাও শঙ্কৰদেৱে দি যোৱা নাছিল। পুৰুষানুক্ৰমিক গুৰু পৰম্পৰাৰ পৃষ্ঠপোষকতা নকৰি নিজে গুণী-জ্ঞানী মাধৱদেৱক দায়িত্ব অৰ্পণ কৰি থৈ গৈছিল। সত্ৰত এজন অধিকাৰ, জনচেৰেক ভকত আৰু শিষ্য থাকে। নিয়মীয়াকৈ নাম-প্ৰসংগ, নাট-ভাওনা, ধৰ্মচৰ্চা অনুষ্ঠিত হয়। অধিকাৰজনে শিষ্য থকা গাঁৱলৈ গৈ নামঘৰত শিবিৰ পাতি থাকে আৰু শিষ্যক ধৰ্ম শিক্ষা দিয়ে আৰু নাট ভাওনাও শিকায়। অনেক অধিকাৰে পদ পুথি, গীত নাটো ৰচনা কৰি শঙ্কৰী পৰম্পৰা শক্তিশালী কৰাত সহায়তা কৰিছিল। অহোম ৰজাই চাৰিখন ব্ৰহ্ম সংহতিৰ সত্ৰক ৰাজ সত্ৰ হিচাপে স্বীকৃতি আৰু মৰ্যাদা আগবঢ়োৱাত তেওঁবিলাকৰ ৰাজসিকতা দিনকদিনে বৃদ্ধি পায় আৰু ৰক্ষণশীলতা বাঢ়ি যায়। তদুপৰি শঙ্কৰ-মাধৱৰ পোনপটীয়া আজ্ঞা নোহোৱাকৈ বহুতো সত্ৰ পাবতে গজিবলৈ ধৰে। এনে পূৰ্ব পৰম্পৰাহীন সত্ৰ শঙ্কৰী সংস্কৃতিলৈ বৰঙণি যোগোৱাৰ চলতে সমাজত বিভেদকামী ৰীতি-নীতিৰ জন্ম দিয়ে।

শঙ্কৰী সংস্কৃতিৰ সৰাতোকৈ ডাঙৰ গুণ হৈছে, উদাৰতা আৰু গুণগ্ৰাহিতা। মানসিক উৎকৰ্ষ সাধন আৰু মানৱতাবোধেই যদি সংস্কৃতিৰ মূল বস্তু হয়, তেনেহ'লে শঙ্কৰী সংস্কৃতিক যথাৰ্থতে সংস্কৃতি বুলিব পাৰি। ভক্তি সাধন জাতি বৰ্ণনিৰ্বিশেষে সকলোৰে বাবে মুকলি কৰি দি বৈদিক সংস্কৃতিৰ চতুৰ্বৰ্ণ ধাৰণাৰ ৰক্ষণশীলতাক অস্বীকাৰ কৰি সকলো মানুহ সমান এই মহান আদৰ্শ প্ৰতিষ্ঠা কৰিলে। আনপিনে অযথা আচাৰ-নীতি জাপি দি মানুহৰ জীৱন-যাপন পদ্ধতি জটিল কৰা নাছিল। শঙ্কৰদেৱে যেনেকৈ জাতিভেদ স্বীকাৰ নকৰিছিল, তেনেকৈ মধ্যযুগীয় পুৰোহিতৰ নিস্পেষণ উচ্ছেদ কৰিছিল। শঙ্কৰদেৱৰ আদৰ্শ আছিল, 'দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ।' কিন্তু কেতবোৰ সত্ৰত প্ৰাচীন পুৰোহিত-পদ্ধতি, শ্ৰাদ্ধ পিণ্ড আদি আজিও চলি আছে; এয়া গুৰু চন্ডালী চিন্তাৰ অৱশিষ্ট মাথোন। শঙ্কৰদেৱে নামতেই শ্ৰেষ্ঠত্ব আৰোপ কৰিছিল। নাম আৰু ভক্তিৰ শিপা হৃদয়ত গজে; বাহ্যিক আচাৰত নহয়। শঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ য'তে যি সমল মনৰ জোখাৰে পাইছিল, তাকেই আহৰণ কৰি আনিছিল। কৃষ্ণভক্তি শাখাৰ ধাৰণা লৈ আহিছিল তীৰ্থ ভ্ৰমণলৈ যাওঁতে; লগত আনিছিল অনেক শাস্ত্ৰীয় গ্ৰন্থ। জনজাতি অধ্যুষিত, কৈৰাতজ ধৰ্মৰে ধৌত ব্ৰহ্মপুত্ৰ উপত্যকাত ভাৰতীয় আদৰ্শ সিঁচি ইয়াৰ কেঁচা মাটিত আৰ্যীকৰণ সম্ভৱ কৰি তুলিছিল। যিখন দেশৰ ইতিহাসত অষ্ট্ৰিক মঙ্গোলীয় সংস্কৃতিৰ এটা ঘন আৱৰণ পৰিছিল, তাৰ কোঁহে কোঁহে আৰ্য-ধাৰণা পোখাবলৈ সুবিধা কৰি দিছিল। শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা আদৰ্শত যি সমূহীয়া আশীৰ্বাদ-ব্যৱস্থা আৰু সমূহীয়া নাম-কীৰ্তনৰ ধাৰণা বৰ্তমান, ভাৰতৰ অন্য ঠাইত পাবলৈ নাই। 'অ' হৰি, অ' ৰাম' বুলি যি সুৰত আশীৰ্বাদ আৰম্ভ কৰা হয়, ই দেখাতেই মঙ্গোলীয় আদৰ্শসম্ভূত। দক্ষিণ-পূব এচিয়াৰ বিভিন্ন জাতিৰ মাজত এই সুৰ ধ্বনি অনুভূত হয়। আহোম সমাজৰ 'অ' ফুৰা অ' তেৰা, ফুৰা তেৰা আলং হেই' এই আশীৰ্বাদ ব্যৱস্থা মহানুভৱ সংহতিৰ আদৰ্শ লৈ জনজাতি কিম্বা আন আৰ্যেতৰ মানুহৰ পৰা গ্ৰহণ কৰা একো অসম্ভৱ নহয়। একেখন সমাজতে, একেটা নামঘৰতে সমানে সমানে বহি সকলোৱে নাম ল'ব পৰাৰ ব্যৱস্থা সৃষ্টি কৰি শঙ্কৰদেৱে সকলো আদৰ্শবান মানুহকে সাৰটি লৈছিল।

Prepp
Your Personal Exams Guide

আদৰ্শ যেতিয়াই ৰক্ষণশীল হয়, সমাজ তেতিয়াই সংকুচিত হয়; আদৰ্শ যেতিয়া উদাৰ আৰু গুণগ্ৰাহী হয়, তেতিয়াই সমাজ বিকশিত হয়। শংকৰী সংস্কৃতিৰ মূল ভেঁটি ৰচিত হৈছিল উদাৰতা আৰু গুণগ্ৰাহিতাৰে। ধৰ্মৰ ক্ষেত্ৰত এই উদাৰ আদৰ্শৰে নানা তৰহৰ দেৱ-দেৱী আৰু প্ৰাচীন পৰম্পৰাৰ উচ্ছেদ সাধন কৰি সহজ-সৰল নামধৰ্মৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সেইদৰে মানুহৰ মনত ভক্তি আৰু কৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ বীজ অংকুৰিত কৰি জনসাধাৰণৰ মনোৰঞ্জক গীত, নাট, নৃত্য, পদ পয়াৰৰ সৃষ্টি কৰিবলৈকো সক্ষম হৈছিল। একোটা নামঘৰক কেন্দ্ৰ কৰি অনুষ্ঠিত একোখন ভাওনাত সাতগাঁৱৰ ৰাইজ আহি সমৱেত হৈছিল; ঐক্য, পাৰস্পৰিক বুজাবুজিৰ বাট মুকলি হৈছিল। এটা কথা মুকলিকৈ ক'ব পাৰি, শংকৰদেৱে যি মহান আদৰ্শৰে অসমত বৈষ্ণৱ পৰম্পৰা আৰু শংকৰী সংস্কৃতিৰ বৰগছৰ পুলিটো ৰুইছিল, সেই আদৰ্শৰ ধ্বজাবাহী অনেক অনুষ্ঠানে পিছলৈ ৰঘুমলা হৈ বৰগছজোপা আৱৰি ধৰিবলৈ যত্ন কৰি আহিছে। শংকৰী-সংস্কৃতিৰ শিপা অসমৰ জনজীৱনৰ দ'লৈকে শিপাই আছে। ৰক্ষণশীলতা আৰু সংকীৰ্ণতাকে মূলধন হিচাপে লৈ শংকৰী আদৰ্শৰ ৰক্ষক হিচাপে গা দেখুৱাবলৈ কুৰং-কাৰাংকৰা সকলৰ দিন উকলি যাবৰ হ'ল। শংকৰী-সংস্কৃতি অসমৰ জনসাধাৰণৰ মনৰ মণিকূটত সাঁচিথোৱা ৰাজহুৱা সম্পত্তি, যি অক্ষয়, অব্যয়।

46. বৌদ্ধ বিহাৰসমূহৰ লগত অসমৰ সত্ৰসমূহৰ কেনেধৰণৰ সাদৃশ্য লক্ষ্য কৰা যায় ?

(1) বৌদ্ধ বিহাৰসমূহত ভিক্ষু, শ্ৰমণ আৰু শিক্ষাৰ্থী আবাসিক ৰূপত থকাৰ দৰে সত্ৰসমূহতো অধিকাৰ, ভকত আৰু শিষ্য আৱাসিক ৰূপত থাকে।

(2) শ্ৰীমদ্ভাগৱতত ব্ৰহ্ম-সত্ৰ আৰু কৰ্মসত্ৰৰ উল্লেখ থকাৰ দৰে বৌদ্ধ বিহাৰ আৰু সত্ৰসমূহতো বিষয়বাবৰ উল্লেখ আছে।

(3) বৌদ্ধ বিহাৰৰ দৰেই সত্ৰসমূহৰ ভৰণ-পোষণৰ দায়িত্বও সৰ্বসাধাৰণে লৈছিল।

(4) বৌদ্ধ বিহাৰসমূহত আধ্যাত্মিক চিন্তা-চৰ্চা হোৱাৰ দৰে সত্ৰসমূহতো আধ্যাত্মিক চিন্তা-চৰ্চা হৈছিল।

47. শংকৰী সংস্কৃতিক যথাৰ্থতে সংস্কৃতি বুলি কোৱাৰ কাৰণ কি ?

(1) মানসিক উৎকৰ্ষ সাধন কৰি মানুহক আধ্যাত্মিক চিন্তা-চৰ্চাৰ বাট মুকলি কৰি দিয়াৰ বাবে।

(2) উদাৰতা, গুণগ্ৰাহিতা, মানসিক উৎকৰ্ষ আৰু মানৱতাবোধ প্ৰকট হোৱাৰ বাবে।

(3) উদাৰতা আৰু গুণগ্ৰাহিতা ডাঙৰ গুণ বাবে।

(4) মানৱতাবোধৰ অভিব্যক্তি সঠিক ৰূপত প্ৰতিভাত হোৱাৰ বাবে।

48. পাঠটিত উল্লিখিত 'গুৰু চণ্ডালী' চিন্তাৰ প্ৰাসংগিক অৰ্থ কি ?

(1) নাম আৰু ভক্তিৰ শিপা হৃদয়ত সৃষ্ট বাবে।

(2) শংকৰদেৱে জাতিভেদ স্বীকাৰ নকৰি পুৰোহিতৰ নিষ্পেষণ উচ্ছেদ কৰিছিল।

(3) এফালে ভাগৱতী বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু আনফালে কিছুমান সত্ৰত প্ৰচলিত পুৰোহিত-পদ্ধতি, শ্ৰাদ্ধ পিণ্ড আদিৰ মাজত থকা দ্বন্দ্ব।

(4) শংকৰদেৱৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু পুৰোহিত শ্ৰেণীৰ আদৰ্শৰ দ্বন্দ্ব।

49. শঙ্কৰী সংস্কৃতি অসমৰ জনসাধাৰণৰ মনৰ মণিকূটত সাঁচি থোৱা ৰাজহুৱা সম্পত্তি বুলি কোৱাৰ কাৰণ কি ?

(1) ৰক্ষণশীলতা আৰু সংকীৰ্ণতাক মূলধন হিচাপে লৈ শঙ্কৰী আদৰ্শৰ ৰক্ষক হোৱাৰ বাবে।

(2) জনসাধাৰণৰ মনোৰঞ্জক গীত, নাট, নৃত্য, পদ, পয়াৰৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ বাবে।

(3) প্ৰাচীন পৰম্পৰাৰ উচ্ছেদ সাধন কৰি নামধৰ্মৰ প্ৰৱৰ্তন কৰি ভক্তিৰ মাধ্যমেৰে ঐশ্বৰিক আদৰ্শ প্ৰতিষ্ঠিত কৰা বাবে।

(4) নামঘৰক কেন্দ্ৰ কৰি অনুষ্ঠিত একেখন ভাওনাৰ আৰু গাঁৱৰ ৰাইজ সমবেত হোৱাৰ বাবে।

50. উদ্ধৃত পাঠটিৰ সাম্ভাব্য লেখকগৰাকী

(1) বিৰিঞ্চি কুমাৰ বৰুৱা

(2) মহেশ্বৰ নেওগ

(3) কেশৱানন্দ দেৱগোস্বামী

(4) লীলা গগৈ

- o 0 o -

www.prepp.in

Space For Rough Work